যদি মুমিনসকলৰ ওপৰত - অথবা মোৰ উম্মতৰ ওপৰত- কষ্টকৰ নহ'লহেঁতেন তেন্তে মই তেওঁলোকক প্ৰত্যেক নামাজৰ সময়তে মিছৱাক কৰাৰ নিৰ্দেশ দিলোঁহেঁতেন।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যদি মুমিনসকলৰ ওপৰত - অথবা মোৰ উম্মতৰ ওপৰত- কষ্টকৰ নহ'লহেঁতেন তেন্তে মই তেওঁলোকক প্ৰত্যেক নামাজৰ সময়তে মিছৱাক কৰাৰ নিৰ্দেশ দিলোঁহেঁতেন।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, মোৰ উম্মতৰ মুমিনসকলৰ ওপৰত কষ্টকৰ হ'ব বুলি যদি আশংকা নাথাকিলহেঁতেন তেন্তে প্ৰত্যেক নামাজৰ সময়তে মই তেওঁলোকক মিছৱাক কৰিবলৈ অনিবাৰ্য্য কৰি দিলোঁহেঁতেন।

https://sunnah.global/hadeeth/as/show/3364